সৰ্বনাশ! তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা, ভৰিৰ গোৰোহা (নিজিকা)ৰ কাৰণেও জাহান্নামৰ শাস্তি আছে।

আব্দুল্লাহ ইবনে আমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে মক্কাৰ পৰা মদীনালৈ উভতি অহাৰ পথত এটি পানী থকা কুঁৱাৰ ওচৰত আহি উপস্থিত হ'লোঁ। আমাৰ মাজৰ কিছুমানে আচৰৰ সময়ত সোনকালে অজু কৰিবলৈ গ'ল আৰু খৰখেদাকৈ অজু কৰিলে, ঠিক সেই সময়তে আমিও সিহঁতৰ ওচৰত গৈ উপস্থিত হ'লোঁ। তাত গৈ দেখিলোঁ, খৰখেদাকৈ অজু কৰাৰ কাৰণে সিহঁতৰ কিছুমানৰ ভৰিৰ গোৰোহা জিকাই নাছিল। এই দেখি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "সৰ্বনাশ! তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা, ভৰিৰ গোৰোহা (নিজিকা)ৰ কাৰণেও জাহান্নামৰ শাস্তি আছে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম মক্কাৰ পৰা মদীনাৰ ছফৰত আছিল, তেখেতৰ সৈতে কিছুমান চাহাবাও আছিল। ভ্ৰমণকালত তেওঁলোকে পানীৰ এটা স্থান পালে। সেয়ে কিছুমান চাহাবাই আচৰৰ চালাতৰ কাৰণে অজু কৰাৰ উদ্দেশ্যে খৰধৰকৈ অজু কৰিবলৈ গ'ল। কিন্তু তেওঁলোকে খৰখেদাকৈ অজু কৰাৰ কাৰণে ভৰিৰ শেষৰ অংশখিনিত পানী ঢুকি পোৱা নাছিল। এই দেখি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ভৰিৰ গোৰোহা ধোৱাৰ ক্ষেত্ৰত অৱহেলা কৰাৰ কাৰণেও জাহান্নামত শাস্তি আছে তথা ধ্বংস আছে। লগতে তেখেতে নিৰ্দেশ দিছে যে, তোমালোকে পৰিপূৰ্ণৰূপে অজু কৰা।

http://www.sunnah.global/hadeeth/as/show/66392